

## অধ্যায় ৯
# বৈচিত্ৰ্যৰ সুৰ

## ভাৰতৰ সাংগীতিক পট্টচিত্ৰৰ অন্বেষণ

0680CH09

উদ্দেশ্য: ভাৰতীয় সংগীতৰ বিভিন্ন ধাৰাৰ গীত শুনা আৰু শিকা।

**এটি মণিপুৰী গীত শিকা**
**হা উৰিত নাপাংবি**
ভাষা: মণিপুৰী

হা উৰিত নাপংবি, নামানা কৌই তাদবি
নাপানা কৌই খুমদাবি
য়া হৈ হৈ য়া হৈ হৈ য়া য়া তাহৈ হৈ
উৰিত ঙাংবি খুনু চাইজন
নপংঙি ফৌকা আয়াম্বা
য়া হৈ হৈ য়া হৈ হৈ য়া য়া তাহৈ হৈ



**অৰ্থ**
উৰিত নামৰ চৰাইটোৱে মাকৰ বা দেউতাকৰ মাত শুনা নাছিল। তোমাৰ হাত তালি দিয়া আৰু চৰাইটোক মাতা। ৰঙা ৰঙৰ চৰাই, উৰিত, যাৰ পেট এটি কপৌৰ দৰে আৰু ওপৰলৈ উৰি যায়। তোমাৰ হাত তালি দিয়া আৰু চৰাইটোক মাতা।

**শিক্ষকসকললৈ টোকা**
আমি ভাৰতৰ বিভিন্ন অঞ্চলৰ কেইটামান গীতৰ পৰামৰ্শ দিছোঁ। আমি শিক্ষকসকলক এই তালিকাৰ পৰা কমেও পাঁচটা গীত শিকাবলৈ অনুৰোধ জনাইছোঁ। আপুনি শিশুসকলে শিকি ভাল পাব পৰা আঞ্চলিক গীতবোৰো শিকাব পাৰে ।

© NCERT not to be republished

## কেৰালাৰ পৰা নৌকা গীত এটি শিকা

এটি ৰঞ্চিপাট্টু শিকা। ৰঞ্চিপাট্টু হৈছে এবিধ পৰম্পৰাগত নৌকা খেল, ই বিশেষকৈ কেৰালাৰ বৃহত্ হ্ৰদ আদিত অনুষ্ঠিত হোৱা বিখ্যাত সৰ্প নৌকা খেল। এই নৌকা প্ৰতিযোগিতা ৰাজ্যখনৰ সাংস্কৃতিক উৎসৱৰ এক অবিচ্ছেদ্য অংশ। এই প্ৰতিযোগিতাত জীৱন্ত আৰু ছন্দময় নৌকা গীতও যুক্ত ।


কেৰালাৰ সৰ্প নৌকা প্ৰতিযোগিতা

## *কুট্টনাডন্ পুঞ্চয়িলে*
ভাষা: মালয়ালম

কুট্টনাডন্ পুঞ্চয়িলে
কোচ্চুপেণ্ণে কুয়িলালে
কোট্টু ৰেণং কুড়ল্ ৰেণং কুৰৱ ৰেণং
কুট্টনাডন্ পুঞ্চয়িলে,
তিত্তৈ তক তৈ তৈ তোম্
কোচ্চুপেণ্ণে কুয়িলালে তিত্তি তাৰা তৈ তোং
কোট্টু ৰেণং কুড়ল্ ৰেণং কুৰৱ ৰেণং
(ও..তিত্তিত্তাৰা তিত্তিতৈ তিত্তৈ তক তৈ তৈ তোম্) x (৪)
ৱৰৱেল্ কনালু ৰেণং কোডি
তোৰণঙ্গল্ ৰেণম্
বিজয়শ্ৰী লালি তৰায় ৱৰুন্নু এঞ্জল্
(ও....তিত্তিত্তাৰা তিত্তিতৈ তিত্তৈ তক তৈ তৈ তোম্)
x (৪)
কৰুত্ত চিড়কু ৱচ্চু তিত্তৈ তক তৈ তৈ তোং
অৰয়ন্ন কিলি পোলে তিত্তিত্তাৰা তৈ তোং
কৰুত্ত চিৰকু ৱচ্চোৰ অৰয়ন্ন কিলি পোলে
কুতিচ্চু কুতিচ্চু পায়ুং কুতিৰ পোলে
(ও....তিত্তিত্তাৰা তিত্তিতৈ তিত্তৈ তক তৈ তৈ তোং)x(৪)

**অৰ্থ**: গীতটোত কেৰালাৰ কুট্টনাড অঞ্চলৰ সৌন্দৰ্য দেখুওৱা হৈছে, আৰু ই গীত গাবলৈ আৰু প্ৰাকৃতিক পৰিৱেশ উপভোগ কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে।

© NCERT not to be republished

তুমি জানানে

১৯২৬ চনত অসমৰ শদিয়াত এজন মহান সংগীতজ্ঞৰ জন্ম হৈছিল যাৰ নাম আছিল ভূপেন হাজৰিকা।
সুধাকন্থ নামেৰে খ্যাত, তেওঁ একেধাৰে গায়ক, গীতিকাৰ, সংগীতজ্ঞ, কবি, অভিনেতা, শিল্পী, সম্পাদক, চলচ্চিত্ৰ নিৰ্মাতা আৰু শিক্ষাবিদ আছিল। তেওঁ সংগীতক 'সামাজিক পৰিৱৰ্তনৰ সঁজুলি হিচাপে ব্যৱহাৰ কৰিছিল' আৰু অনুপ্ৰেৰণাদায়ক গীত ৰচনা কৰিছিল। তেওঁ ভাৰত ৰত্ন, দাদাচাহেব ফাল্কে বঁটা আৰু সংগীত নাটক একাডেমীকে ধৰি বহুতো ৰাষ্ট্ৰীয় বঁটা প্ৰাপ্ত কৰে।



## উত্তৰ পূৰ্বাঞ্চলৰ অসমত *এই মাটিৰে মৰমতে* দৰে সুমধুৰ গীত

গীতটি শিকোঁ আহা
ভাষা: অসমীয়া

*এই মাটিৰে মৰমতে*
*মাটিকে চুমিলো*
*এই মাটিতে জীৱন ছবি*
*আঁকি আঁকি মচিলো*

*দুৰ আকাশৰ ৰহণ*
*কিয়নো লাগে লাগে*
*সাগৰ তলিত মানিক*
*কিয়নো লাগে লাগে*
*আহা.. আহা..*
*মাটিৰ বুকুত মনৰ মালতী বুটলোঁ*



*মনৰ কৰনিৰে*
*সুৰৰ পাপৰিৰে আজি*
*সুকুমাৰ থাপনা সজোৱা*
*সুন্দৰ সুদিনৰ*
*নতুন দৃষ্টিকণা নমোৱা*

**অৰ্থ**: গীতিকাৰে পৃথিৱীৰ প্ৰতি স্নেহ প্ৰকাশ কৰিছে আৰু আকাশৰ ৰং বা সাগৰৰ মুক্ততাকে ইয়াত আনন্দৰ অন্বেষণৰ বিষয়ে আলোচনা কৰিছে।
গীতিকাৰে প্ৰকৃতিৰ সকলো অত্যন্ত মূল্যৱান দিশ অনুভৱ কৰে যেনে পৃথিৱীত সূৰ্যৰ পোহৰ বা অৰণ্য ইত্যাদি।

## আহা পশ্চিমে গুজৰাট দেশলৈ যাও তথা গানটো শিকোঁ, পোতানা জে দৰিয়া মা

ভাষা: গুজৰাটি

পোটানা জে দৰিয়া মাঁ
পোতানী জা ডুবকী থী
জাত নূ অমূলু মোতী লো
ইৱো কোন ছে খলাসী
মনে কহী দো নে
এনা থাম নে ঠেকানা
মনে দঈ দো নে
ইৱো কোন ছে খলাসী
মনে কহী দো নে
গোটি লো, টেম গোটি লো গোটি লো

© NCERT

**অৰ্থ**: গানটোৱে জীৱনক সমুদ্ৰ যাত্ৰা হিচাপে বৰ্ণনা কৰিছে। নাৱিকজন দিশ আৰু উদ্দেশ্য প্ৰদান কৰা ব্যক্তিৰ প্ৰতীক, আনহাতে মুকুতাবোৰে এই যাত্ৰা অভিজ্ঞতাৰ জৰিয়তে লাভ কৰা মূল্যৱান মুহূৰ্ত বা ঐশ্চৰ্য্যক প্ৰতিনিধিত্ব কৰে।



## গুজৰাটৰ পৰা এটি *গৰ্বা* শিকক

গৰ্বা হৈছে পৰম্পৰাগত সংগীত আৰু লোক নৃত্যৰ এটি স্বৰূপৰ নাম যিটো প্ৰায়েই নৱৰাত্ৰি উৎসৱৰ সময়ত পৰিৱেশন কৰা হয়। পৰম্পৰাগত তালৰ সঁজুলি যেনে ঢোল, তবলা, ঢোলক, আৰু হাৰমোনিয়াম আৰু বাঁহীৰ দৰে সুমধুৰ বাদ্যযন্ত্ৰবোৰ এই নৃত্যৰ সৈতে বজোৱা হয়। ডাণ্ডিয়া লাঠিবোৰৰ সৈতে অংগবাদন যেনে হাততালি দিয়া, পাদতাল আৰু টেপ কৰা আদিয়ে অধিক ছন্দময়তাৰ যোগ দিয়ে। সুমধুৰ আকৃতিবোৰে আনন্দ আৰু উদযাপনৰ অনুভূতি জাগ্ৰত কৰে। নৃত্যশিল্পীগৰাকীয়ে ভগৱান কৃষ্ণ (কানুড়া) ৰ প্ৰতি থকা তাইৰ প্ৰেমৰ বিষয়ে গীত গাই আছে।

## তাৰী ৱাঙ্কী ৰে

তাৰী বাঙ্কী ৰে পাঘলড়ী নু
ফুমতু ৰে মনে, গমতু ৰে আ তো
কহুঁচুৰে কানুড়া তানে অমথু ৰে
তাৰা পগনু ৰে পগৰখু চম চম তু ৰে
মনে গমতু ৰে আ তো
কহুঁচুৰে কানুড়া তানে অমথু ৰে

তাৰী বাঙ্কী ৰে পাঘলড়ী নু
ফুমতু ৰে মনে, গমতু ৰে আ তো
কহুঁচুৰে কানুড়া তানে অমথু ৰে
তাৰা পগনু ৰে পগৰখু চম চম তু ৰে
মনে গমতু ৰে আ তো
কহুঁচুৰে কানুড়া তানে অমথু ৰে


থাৰিল


চেণ্ডা

## আহা এটা তামিল গান শিকোঁ

### অতিন্তোম

*অতিন্তোম তিন্দিয়ুম তোমদনা*
*তিন্দাদি তিন্তোম*
*তকধিনা তিন্দুয়ুম তোমদনা তিন্দাদি*
*তিন্তোম*

*আদাতা জাৱাতু মনম আদিদুম বম্মী*
*অন্দাৱনাই তালাতুম ইচাই কেলাদি বম্মী*
*এন পাতু ৱন্দেলা মনম তুল্লিদুম বম্মী*
*অৱন পাতু ইল্লাদা ইদম য়েঙ্গেদি বম্মী*
*মুকন্নন মুকাগা তন্দা পাটু পাডিছেন*
*পাটিল পালাকোডি নেঞ্জ নানুম পুডিছেন*

*অতিন্তোম তিন্দিয়ুম তোমদনা*
*তিন্দাদি তিন্তোম*
*তকধিনা তিন্দুয়ুম তোমদনা তিন্দাদি*
*তিন্তোম*

**অৰ্থ:** এই গানটোৱে গানগোৱাৰ আনন্দক দৰ্শায়। গানটোত এনে ছন্দময় উপাদান আছে যিয়ে ইয়াক আকৰ্ষণীয় কৰি তোলে।

## কানাড়া গান

### চেলুৱয়্যা

চেলুৱয়্যা চেল্লুৱো তানি তন্দানা
চিন্মায়া ঋপে কোলান্না কোলে
চেলুৱায়্যা চেলুৱো তানি তন্দানা
চিন্মায়া ঋপে কোলান্না কোলে

আন্তা নোড়ু, ইন্তা নোড়ু
চিত্ৰদুৰ্গা কোটে নোড়ু
হাম্বি নোড়ু নন্না তৰুৰ্ণ

চেলুৱয়্যা
চেলুৱয়্যা চেল্লুৱো তানি তন্দানা
চিন্মায়া ঋপে কোলান্না কোলে
চেলুৱায়্যা চেলুৱো তানি তন্দানা

**অৰ্থঃ** এইটো কৰ্ণাটকৰ সৌন্দৰ্য উদযাপনৰ এটি আনন্দদায়ক লোকগীত। গানটোৱে তোমাক নাচিবলৈ আৰু কৰ্ণাটকৰ চাৰিওফালৰ বস্তুবোৰৰ সৌন্দৰ্য তথা চমৎকাৰ চিত্ৰদুৰ্গা দুৰ্গ চাবলৈ তথা আমন্ত্ৰণ জনাই।

> আমাৰ দেশৰ প্ৰতিটো অঞ্চলৰ বাবে থলুৱা বিভিন্ন প্ৰকাৰৰ গানৰ বিষয়ে শিকোঁতে, তুমি নিশ্চয় এই অধ্যায়টোৰ শিৰোনামৰ প্ৰাসংগিকতা উপলব্ধি কৰিছা 'বৈচিত্ৰ্যতাৰ সুৰ'।

© NCERT not to be republished



চিমটা



পুঙ্গী

## হে জিন্দ মাহে বজাৰ

ভাষা: পাঞ্জাবি

ও জিন্দ মাহী বাজৰে...
হে জিন্দ মাহী বাজৰে কুমলায়াঁ
ৰে তেৰিয়াঁ লাডলিয়াঁ...
ৰে তেৰিয়াঁ লাডলেইয়াঁ পৰজাইয়াঁ
কে বাজি ফেৰ কড়ে..
কে বাজি ফেৰ কড়ে ন আইয়াঁ

(উম্মা... উম্মা... উমা... উম্মা...
উম্মা ... উম্মা ... উম) × ২

কে ইক পল বেহি জানা
কে ইক পল বেহি জানা মেৰে মখনা
ৰে তেৰে বাজ্জো ওয়ে
ৰে তেৰে বাজ্জো বেডা সখনা
কে ইক পল বেহি জানা
কে ইক পল বেহি জানা মেৰে কল...

(উম্মা... উম্মা... উমা... উম্মা...
উম্মা ... উম্মা ... উম) × 2

**অৰ্থ:** এই গীতটোৱে প্ৰিয়জনৰ উভতি অহাৰ বাবে প্ৰেম আৰু ব্যাকুলতা আৰু একেলগে কটোৱা প্ৰিয় মুহূৰ্তবোৰ প্ৰকাশ কৰে।

## ক্ষত্ৰিয় কুলাৱতচান

ভাষা: মাৰাঠী

ক্ষত্ৰিয় কুলৱতন্স
সিংহসনাধীশ্বৰ
ছত্ৰপতি শিৱাজী মহাৰাজ কী জয়
আলে ৰে আলে ৰে (আলে আলে ৰে)
আৰ মাৰাঠে আলে ৰে (আৰ মাৰাঠে আলে ৰে)
শান ৰাজন্চী ঘেউণ (শান ৰাজন্চী ঘেউণ)
আতা ৰাণী নিঘালে ৰে (জয় ভৱানী)
আৰ তুফান পেটল (তুফান পেটল)
আন গনীম খেতল (গনিম খেতল)
তাৰ য়েকচ নাৱ ৰে
আমচ্যা শিৱবাংচ ঘেতল (আমচ্যা শিৱবাংচ ঘেতল)


শ্বাসত ৰাজা ৰ ধ্যাসত ৰাজা
ঘাৱত ৰাজা ৰ ভাৱত ৰাজা
জজ্জাত ৰজা ৰ মৰণ্যাত ৰাজা
হে শিৱবা ৰে ৰে ...

**অৰ্থ:** এই গীতটিত ছত্ৰপতি শিৱাজী মহাৰাজক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হৈছে, তেওঁৰ বংশ, বীৰত্ব আৰু কৃতিত্বৰ প্ৰশংসা কৰা হৈছে। এনে গীতবোৰে তেওঁৰ নেতৃত্ব আৰু সাহসৰ প্ৰতি শ্ৰদ্ধা আৰু প্ৰশস্তি প্ৰকাশ কৰে।

© NCERT not to be republished

তুমি জানানে

ভাৰতীয় সংগীতে সমাজৰ পৰম্পৰা আৰু ব্যৱহাৰৰ পৰা যথেষ্ট গ্ৰহণ কৰিছে। ভাৰতীয় সংগীত অভিব্যক্তিত ভক্তিয়ে প্ৰাথমিক স্বৰূপ হিচাপে থিয় হয়। কীৰ্তন, শবদ, স্তোত্ৰ আৰু কাব্বালি সংগীতৰ এই ভক্তিমূলক দিশটোৰ উদাহৰণ দিয়া।



## ঈশ্বৰৰ প্ৰতি ভক্তিমূলক মাৰ্গ

শিশুৱে নিশ্চয় মানুহক বিভিন্ন ধৰণৰ ভক্তিমূলক ৰচনা উপাসনা আৰু গান গোৱা দেখিছে। আহা আমি সেইবোৰৰ কেইটিমান শিকোঁহক।

## কীৰ্তন

গীত- ভাৰত ৰত্ন ভীমসেন যোশী
ভাষা: মাৰাঠী

যে কাঁ ৰঞ্জলে গাঞ্জলে।ত্যাসি ম্হণে যো
আপুলে ।
তোচি সাধু ওলখাৱা ।দেৱ তেথেচি জাণাৱা।
তুকা ম্হণে সাণ্ডুং কিতী । তোচি ভগৱঁতাচী
মূৰ্তী ।

অৰ্থ: সন্ত তুকাৰামৰ এই ৰচনাটো অভঙ্গ কীৰ্তন হিচাপে কৰা হয় । গানটোত কৈছে যে- "এজন প্ৰকৃত ব্যক্তি হৈছে সেইজন যিয়ে গভীৰভাৱে অনুভৱ কৰে আৰু আনৰ দুখ আৰু বেদনাৰ প্ৰতি সহানুভূতিশীল হয়। ঈশ্বৰ এনে কৰুণাশীল ব্যক্তিসকলৰ হৃদয়ত বাস কৰে।"

## শবদ

নানক চিন্তা মত কৰহু,
চিন্তা তিস হী হে!
জল মেহ জন উপা মেঁ,
এক তিনা ভে ৰোজী দে!
নানক চিন্তা মত কৰহু,
চিন্তা তিস হী হে!
ওথৈ হট না চলৈ,
না কোই কিৰস কৰয় আঈ!
সা-উড়া মূল ন হোৱাই,
না কোলাএ না দিন এ!
জী আ কা আহাৰ জী এ,
খানা অয়হু কৰায় আঈ!
ৱিচ উপা এ সা ইৰা,
তিনা ভে সাৰ কৰয় আঈ!
নানক চিন্তা মত কৰহু,
চিন্তা তিস হী হে!

**অৰ্থ**: শবদ গুৰুদ্বাৰাত গোৱা এটা গীত। গীতটোৱে অত্যাধিক চিন্তা নকৰিবলৈ পৰামৰ্শ দিয়ে কিয়নো সকলোবোৰ অৱশেষত এক ঐশ্বৰিক ইচ্ছাৰ দ্বাৰাই নিৰ্ধাৰিত কৰা হয়। ঈশ্বৰে পানীত উদ্ভিদ আৰু প্ৰাণীৰ সৃষ্টি কৰিছে। তেওঁ তেওঁলোককো জীৱিকা প্ৰদান কৰে। গুৰু নানকে তেওঁৰ শিষ্যসকলক চিন্তা কৰা বন্ধ কৰিবলৈ আৰু বিশ্বাস ৰাখিবলৈ কৈছে। নদী হওঁক বা মহাসাগৰ হওঁক, ইয়াত বাস কৰা প্ৰাণীবোৰে প্ৰকৃতিৰ নিয়ম অনুসৰি জীয়াই থাকিবলৈ সক্ষম হয়। তেনে সৰ্বশক্তিমানে সকলো প্ৰাণীৰ যত্ন লয়।

© NCERT not to be republished

## হিম্ন - গীৰ্জাত গোৱা

গিভ মি অইল ইন মাই লেম্প, কীপ মি বাৰ্নিং
গিভ মি অইল ইন মাই লেম্প, আই প্ৰে
গিভ মি অইল ইন মাই লেম্প, কীপ মি বাৰ্নিং
কীপ মি বাৰ্নিং টিল দি এণ্ড অৱ ডে

কম অন এণ্ড ছিং হ'জান্না ছিং হ'জান্না ছিং হ'জান্না
টু দি কিং অৱ কিঙ্স

**অৰ্থ:** এই গীতটো এটা খ্ৰীষ্টান হিম্ন। ই ব্যক্তিক সৰ্বশক্তিমান ঈশ্বৰৰ প্ৰতি বিশ্বাস আৰু ভক্তি ৰাখিবলৈ কয় । ইয়াত যীচু খ্ৰীষ্টক ৰজাৰ ৰজা হিচাপে প্ৰশংসা আৰু উপাসনা কৰিছে।




## এটা চুফী গান শিকা

### মো মিনা মা

ভাষা: ফাৰ্ছি

মো মিনা মা দুধ লেকে এমা য়াকে
জিসমিসা মা দুধ লেকিন জা য়াকে
জমা গুফতাম জান হা য়ে শান

**অৰ্থ:** এটা চুফী গান শুনা আৰু শিকা। 'বিশ্বাসীসকল এক আত্মা' হৈছে মাচনাভিৰ এটা কবিতা, ই জালাল উদ্দিন মুহম্মদ বালখিৰ উৰফে ৰুমিৰ দ্বাৰা পাৰ্চী ভাষাত লিখা কোৰাণৰ দ্বাৰা অনুপ্ৰাণিত উপাখ্যান আৰু কাহিনীৰ সংকলন। 'বিশ্বাসীসকল এক আত্মা' কবিতাটোৱে আমাৰ সকলোৰে ভিতৰত থকা এক দেৱত্বৰ কথা কয়।



© NCERT not to be republished

আমি যেতিয়া আমাৰ শাৰীৰিক আৱৰণৰ বাধাবোৰ আঁতৰ কৰোঁ, আমি অনুভৱ কৰোঁ যে আমাৰ প্ৰত্যেকৰে আত্মাক চালিত কৰা জীৱন শক্তি একেই।

## ভাৰতীয় সংগীতৰ প্ৰকাৰ

তেন্তে, আমি বিভিন্ন ধৰণৰ ভাৰতীয় সংগীত যেনে- শাস্ত্ৰীয় সংগীত, আঞ্চলিক সংগীত, ভক্তিমূলক সংগীত ইত্যাদি শিকি আনন্দ পালোঁ।

আমি উপলব্ধি কৰোঁ যে বিভিন্ন অঞ্চলৰ পৰা গীত শিকাটো কেৱল আমোদজনক নহয় কিন্তু আমাৰ দেশৰ বিভিন্ন ৰাজ্যৰ স্থানীয় সংস্কৃতি আৰু পৰম্পৰাৰ বিষয়ে বুজাত সহায় কৰে। বিভিন্ন প্ৰকাৰৰ গীত বাছনি কৰা আৰু সেইবোৰ শিকা। ইয়াক শ্ৰেণী, সমাবেশ বা তোমাৰ বন্ধু বৰ্গ আৰু পৰিয়ালত উপস্থাপন কৰা।





© NCERT not to be republished